**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিভিন্ন বিষয় লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত সৃষ্টি হোৱা তুমুল বাক-বিতণ্ডাৰ বাবে আজি ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ আৰু লোকসভাৰ কাম-কাজ দিনৰ ১ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। সমগ্ৰ দেশতে শীঘ্ৰে দুৰ্ঘটনাগ্ৰস্তৰ নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে লোকসভাত প্ৰকাশ কৰিছে।

৩। জলজীৱন অভিযানে গ্ৰামাঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৪। পৰ্টুগালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পাওল ৰেংগেল আজি চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে।

**আৰু**

৫। চীনৰ হাংঝৌত অনুষ্ঠিত বেডমিণ্টনৰ বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ ফাইনেলত ভাৰতীয় মহিলা যুটী তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দে মালেয়েছিয়াৰ যুটীক পৰাজিত কৰিছে।

০০০০০০০

বিভিন্ন বিষয় লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত আজি সংসদৰ উভয় সদনত তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ আৰু লোকসভাৰ কাম-কাজ দিনৰ ১ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। শাসকীয় পক্ষই কংগ্ৰেছৰ একাংশ নেতাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ বিষয়টো উত্থাপন কৰে। ইফালে, বিৰোধী পক্ষই আদানি গোটৰ বিৰুদ্ধে উৎকোচৰ বিষয়টোকলৈ প্ৰতিবাদ সাব্যস্ত কৰি যুটীয়া সংসদীয় সমিতিৰ অনুসন্ধানৰ দাবী জনায়।

লোকসভাত প্ৰশ্নকালৰ অন্তপৰাৰ পাছত কংগ্ৰেছ সাংসদ যুতিমানিয়ে আদানি গোটৰ বিৰুদ্ধে উৎকোচ লোৱাৰ অভিযোগৰ বিষয়টো উত্থাপন কৰে। ইয়াৰ প্ৰত্যুত্তৰত বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই ৰাজীৱ গান্ধী ফাউণ্ডেচন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ মাজৰ অবৈধ সম্পৰ্কৰ বিষয়টো উত্থাপন কৰে। সাংসদগৰাকীয়ে ৰাহুল গান্ধীৰ ভাৰত জোড় যাত্ৰা আৰু তেওঁৰ আমেৰিকা ভ্ৰমণৰ ব্যয় জৰ্জ ছ'ৰ'ছ সংস্থাই বহন কৰিছিল বুলি অভিযোগ তোলে। শ্ৰীডুবেই লগতে ইউ পি এ চৰকাৰৰ শাসনকালতজৰ্জ ছ'ৰ'ছে ভাৰতীয় ষ্টক বজাৰত বৃহৎ বিনিয়োগ কৰাৰো অভিযোগ উত্থাপন কৰে। সাংসদগৰাকীৰ অভিযোগৰ বিৰোধিতা কৰি কংগ্ৰেছকে ধৰি আন আন বিৰোধী দলসমূহে সদনৰ মজিয়ালৈ আহি চৰকাৰৰ বিৰুদ্ধে শ্ল'গান দিয়ে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ১ বজালৈ স্থগিত ৰাখে। ইয়াৰপূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই টি এম চিৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ বিৰুদ্ধে কালি সদনত ব্যক্তিগত কটাক্ষ কৰাৰ বাবে অসন্তুষ্টি

প্ৰকাশ কৰে। শ্ৰীবিৰলাই এনে কাৰ্য সদনৰ মৰ্যাদাৰ পৰিপন্থী বুলি উল্লেখ কৰে। তেওঁ সদস্যসকলক ব্যক্তিগতভাৱে আক্ৰমণ নকৰিবলৈ আৰু সদনৰ মৰ্যাদা বজাই ৰাখিবলৈ আহ্বান জনায়।

ইফালে, ৰাজ্যসভাত পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত  সভাপতি জগদীপ ধনখড়ে বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা সভা স্থগিতকৰণৰ জাননী প্ৰত্যাখ্যান কৰে। বিৰোধী দলসমূহে এই কথাৰ প্ৰতিবাদ কৰি সদনত শ্ল'গান দিবলৈ আৰম্ভ কৰে। উচ্চ সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কয়, যে সভাপতিৰ সিদ্ধান্তক লৈ প্ৰশ্ন বা সমালোচনা কৰিব নোৱাৰি। তেওঁ সংবাদ মেল সম্বোধন কৰি সভাপতিগৰাকীক প্ৰশ্ন কৰাৰ বাবে বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গেক সমালোচনা কৰে। বিৰোধী নেতাগৰাকীৰ এই কাৰ্যক  তেওঁ সদন আৰু সভাপতিৰ মৰ্যাদা হানি কৰা বুলি অভিযোগ তোলাৰ লগতে সভাপতিৰ সাংবিধানিক পদবীক অৱমাননা কৰা বুলি উল্লেখ কৰে। শ্ৰীনাড্ডাই সংসদীয় কাৰ্যক্ৰমণিকাৰ প্ৰতি কংগ্ৰেছৰ কোনো ধৰণৰ সন্মান নাই বুলি অভিযোগ তুলি কয়, যে এই সকলোবোৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে কংগ্ৰেছৰ একাংশ নেতাৰ সম্পৰ্ক থকা বুলি উঠা অভিযোগৰ বিষয়টোৰ পৰা আঁতৰি থকাৰ বাবে চেষ্টা কৰা হৈছে।

ইফালে, শাসকীয় পক্ষই সদনৰ মূল বিষয়সমূহৰ পৰা আঁতৰি থকাৰ চেষ্টা কৰিছে বুলি বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গেই অভিযোগ তোলে। শাসকীয় আৰু বিৰোধী পক্ষৰ মাজৰ অভিযোগ প্ৰতিঅভিযোগ বাহাল থকাৰ পৰিপ্ৰেক্ষিতত সভাপতিয়ে সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০০০

সমগ্ৰ দেশতে শীঘ্ৰে দুৰ্ঘটনাগ্ৰস্তৰ নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ হ'ব। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি লোকসভাৰ প্ৰশ্নকালত দিয়া উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ছখন ৰাজ্যত বলবৎ হৈ থকা এই আঁচনিখন শীঘ্ৰে উত্তৰ প্ৰদেশ আৰু পিছলৈ দেশৰ বাকী অংশতো প্ৰৱৰ্তন কৰা হ'ব। এই আঁচনিৰ জৰিয়তে পথ দুৰ্ঘটনাগ্ৰস্ত লোকসকলে চিকিৎসালসমূহত ডেৰ লাখ টকা পৰ্যন্ত নগদবিহীন চিকিৎসাৰ সুবিধা লাভ  কৰিব পাৰিব। ঘাইথপথসমূহত ক্ৰমাৎ বৃদ্ধি পোৱা দুৰ্ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাতে দুৰ্ঘটনা প্ৰতিৰোধ সমিতি গঠন কৰি এনে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণসমূহ চালি জাৰি চাবৈল সদনৰ সদস্যসকলক অনুৰোধ জনায়। মন্ত্ৰীগৰাকীয়ে উত্তৰ প্ৰদেশ, তামিলনাডু, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশত সৰ্বাধিক পথ দুৰ্ঘটনা সংঘটিত হ'ব বুলি উল্লেখ কৰে। মহানগৰৰ ভিতৰত দিল্লী, বেংগালুৰু আৰু জয়পুৰ চহৰত সৰ্বাধিক দুৰ্ঘটনা সংঘটিত হৈছে বুলি তেওঁ কয়। তাৎক্ষণিক চিকিৎসা লাভ নকৰা বা চিকিৎসাত পলম হোৱাৰ বাবে ৩০ শতাংশ পথ দুৰ্ঘটনাৰ সংঘটিত লোকৰ মৃত্যু হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে নগদবিহীন চিকিৎসা আঁচনিখনে সম্প্ৰতি ৰূপায়ন হৈ থকা ছখন ৰাজ্যত  ২১০০ গৰাকী লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জলজীৱন অভিযানৰ প্ৰশংসা কৰি কয়, যে এই আঁচনিখনে মহিলা সৱলীকৰণত বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয়, যে ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী উপলব্ধ হোৱাৰ পাছত এতিয়া মহিলাসকলে দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীৰ পোষ্টৰ সমৰ্থনত কয়, যে ৰাজ্যৰ প্ৰতিটো পৰিয়াললৈ নল যোগে পানী

যোগান ব্যৱস্থাৰ স্থায়ী সমাধানৰ ফলত এতিয়া বিভিন্ন ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ ২৮ শতাংশতকৈ অধিক বৃদ্ধি পাইছে।

০০০০০০০

পৰ্টুগালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পাওল' ৰেংগেল আজি চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণলৈ অহা মন্ত্ৰীগৰাকীক স্বাগতম জনায়। সামাজিক মাধ্যমৰ এটা পোষ্টত মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধিৰ জয়ছৱালে কয়, যে এই ভ্ৰমণে দুয়োখন দেশৰ বহুপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিব। উল্লেখযোগ্য যে অহা বছৰ ভাৰত-পৰ্টুগাল দ্বিপাক্ষিক সম্পৰ্কই ৫০ বছৰত ভৰি দিব। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ৰেংগলে কাইলৈ নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে বৈঠকত মিলিত হ'ব। শনিবাৰে তেওঁ এটা কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে গোৱালৈ যাব।

০০০০০০০

২০৩৫ চনৰ ভিতৰত ভাৰতৰ নিজা মহাকাশ কেন্দ্ৰ প্ৰতিষ্ঠা হ'ব আৰু ২০৪০ চনৰ ভিতৰত এগৰাকী ভাৰতীয়ই চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰিব বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি বিজ্ঞান মন্ত্ৰ্যালয়ৰ সাফল্য সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰি ড° সিঙে কয়, যে চৰকাৰে সূচনা কৰা মহাকাশ সংস্কাৰে মহাকাশ ক্ষেত্ৰৰ অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। তেওঁ কয়, যে বৰ্তমানলৈকে ভাৰতৰ পৰা ৪৩২টা বিদেশী কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰা হৈছে আৰু ইয়াৰ প্ৰায় ৯০ শতাংশই বিগত ১০ বছৰত সম্পন্ন কৰা হৈছে। বিজ্ঞানৰ প্ৰতি চৰকাৰৰ বহুমুখী দৃষ্টিভংগীৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে বিভিন্ন ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগেৰে জৈৱ প্ৰযুক্তি, জৈৱ অৰ্থ ব্যৱস্থা, ভূ-স্থানিক কাৰ্যসূচী, প্ৰতিৰক্ষা আৰু কৃষিখণ্ডত ব্যাপক প্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

নতুন দিল্লীৰ ইণ্ডিয়া গেটত আজিৰেপৰা ২২ সংখ্যক দিব্য কলা মেলা অনুষ্ঠিত হৈছে। সমগ্ৰ দেশৰ দিব্যাংগ লোকসকলৰ প্ৰতিভা, সৃজনীশক্তি আৰু উদ্যমিতাক উৎসাহিত কৰাৰ বাবে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ দিব্যাংগসকলৰ সৱলীকৰণ বিভাগে এই মেলাৰ আয়োজন কৰিছে। এই কাৰ্যসূচীত শতাধিক দিব্যাংগ উদ্যমী আৰু শিল্পীয়ে নিজৰ উৎপাদিত সামগ্ৰী আৰু কৌশল প্ৰদৰ্শন কৰিব। অহা ২২ ডিচেম্বৰলৈ চলিবলগীয়া এই কাৰ্যসূচী প্ৰতিদিনে দিনৰ ১১ বজাৰ পৰা নিশা ৯ বজালৈ মুকলি থাকিব। দিব্যাংগ লোকসকলৰ সামৰ্থ, দৃঢ়তা আৰু কৌশলক উৎসাহিত কৰাৰ বাবে এই মেলাৰ আয়োজন কৰা হৈছে।

০০০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত বেডমিণ্টনৰ বি ডব্লিউ এফ বৰ্ল্ড ট্যুৰ ফাইনেলৰ মহিলাৰ দ্বৈত শাখাৰ খেলত আজি ভাৰতীয় যুঁটী তৃষা জলি আৰু গায়ত্ৰী গোপী চান্দ আজি মালেয়েছিয়া যুঁটী পাৰ্লি টাণ আৰু থিনাহ মুৰালীথাৰনক পৰাজিত কৰি গ্ৰুপ পৰ্যায়ৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতীয় যুঁটীটোৱে মালয়েছিয়াক ২১-,১৯, ২১-১৯ ব্যৱধানত পৰাজিত কৰে। এই প্ৰতিযোগিতাত তৃষা আৰু গায়ত্ৰীয়ে ভাৰতৰ একমাত্ৰ প্ৰতিনিধি হিচাবে ভাগ লৈছে। কালি গ্ৰুপ এৰ প্ৰথমখন খেলত ভাৰতীয় যুঁটীটোৱে শীৰ্ষ বাছনিৰ চীনৰ যুঁটী লিউ শ্বেং শু আৰু টান নিঙৰ হাতত ২২-২০, ২০-২২ আৰু ১৪-২১ ব্যৱধানত পৰাজিত হৈছিল।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

সমাপ্ত